অধ্যায় ৩ ঃ কার্যকৰণ, খালাচ আৰু চুক্তি ভংগৰ প্ৰতিকাৰ (PERFORMANCE, DISCHARGE AND REMEDIES OF BREACH OF CONTRACT)

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ চুক্তি কার্যকৰণৰ অর্থ

৩.৪ কার্যকৰণৰ গ্ৰহণযোগ্য তৎপৰতাৰ আৱশ্যকতা

- ৩.৪.১ চুক্তি কোনে কার্যকৰী কৰিব লাগে
- ৩.৪.২ কার্যকৰণ দাবী কৰিব পৰা লোক

৩.৫ যুটীয়া প্ৰতিশ্ৰুতিৰ কার্যকৰণ

৩.৬ একোটা চুক্তিৰ কার্যকৰণৰ সময়, স্থান আৰু ধৰণ অনুসৰি বিধিগত ব্যৱস্থা

৩.৭ কার্যকৰী কৰাৰ আৱশ্যকতা নথকা চুক্তি

৩.৮ চুক্তি খালাচ কৰাৰ অর্থ

৩.৯ চুক্তি খালাচ কৰাৰ পদ্ধতি

- ৩.৯.১ কার্যকৰণৰ দ্বাৰা
- ৩.৯.২ চুক্তি বা সন্মতিৰ দ্বাৰা
- ৩.৯.৩ কার্যকৰণৰ সম্ভাৱনীয়তা নোহোৱাৰ দ্বাৰা
- ৩.৯.৪ সময়ৰ অভাৱৰ দ্বাৰা
- ৩.৯.৫ আইনৰ প্ৰয়োগৰ দ্বাৰা
- ৩.৯.৬ চুক্তি ভংগৰ দ্বাৰা

৩.১০ চুক্তি ভংগ আৰু ইয়াৰ প্ৰতিকাৰ

৩.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.১২ অধিক জানিবলৈ

৩.১৩ অগ্ৰগতিৰ খতিয়ান

৩.১৪ আৰ্হি প্ৰশ্ন

৩.১ উদ্দেশ্য (LEARNING OBJECTIVES)

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- একোটা চুক্তি কার্যকৰী কৰাৰ ক্ষেত্ৰত থকা ব্যৱস্থাৱলী সম্পর্কে আলোচনা কৰিব পাৰিব
- একোটা চুক্তি কার্যকৰী কৰাৰ বিভিন্ন পদ্ধতি ব্যাখ্যা কৰিব পাৰিব
- কার্যকৰণৰ গ্ৰহণযোগ্য নিবিদাৰ আৱশ্যকতাবোৰ বর্ণনা কৰিব পাৰিব
- একোটা চুক্তি খালাচ কৰাৰ অর্থ আৰু পদ্ধতিবিলাকৰ বিষয়ে আলোচনা কৰিব পাৰিব
- একোটা চুক্তি ভংগ কৰাৰ ক্ষেত্ৰত থকা প্ৰতিকাৰবোৰ ব্যাখ্যা কৰিব পাৰিব।

৩.২ পৰিচয় (INTRODUCTION)

চুক্তি গঠন কৰাৰ পিছত সেই চুক্তিৰ উদ্দেশ্য পূৰণৰ পৰ্যায় আহে। চুক্তিত আবদ্ধ পক্ষসমূহে কি কৰিবৰ বাবে সন্মতি প্ৰকাশ কৰে সেয়া কাৰ্যকৰী কৰিলেই একোটা চুক্তিৰ উদ্দেশ্য পূৰণ হয়। ইয়াক কোৱা হয় চুক্তিত আবদ্ধ পক্ষসমূহৰ দ্বাৰা নিজ নিজ দায়ৱদ্ধতা কাৰ্যকৰীকৰণ। এই অধ্যায়ত আমি চুক্তিৰ কাৰ্যকৰণ, চুক্তি খালাচ আৰু চুক্তি ভংগৰ প্ৰতিকাৰ সম্পৰ্কীয় চুক্তিৰ বিভিন্ন ব্যৱস্থাৱলীৰ বিষয়ে আলোচনা কৰিম।

৩.৩ চুক্তি কাৰ্যকৰণৰ অৰ্থ (MEANING OF PERFORMANCE OF CONTRACT)

চুক্তিৰ কাৰ্যকৰণ সন্দৰ্ভত আইনৰ অনুচ্ছেদ ৩৭ ত উল্লেখ আছে, 'একোটা চুক্তিৰ পক্ষসমূহে তেওঁলোকৰ নিজ নিজ প্ৰতিশ্ৰুতি হয় কাৰ্যকৰী কৰিব লাগিব নহয় কাৰ্যকৰী কৰাৰ প্ৰস্তাব দিব লাগিব, অন্যথা এই আইনৰ ব্যৱস্থাৱলী বা অন্য যিকোনো আইনৰ অধীনত এনে কাৰ্যকৰণ ৰহিত বা বাতিল কৰা হ'ব।' একোটা চুক্তি কাৰ্যকৰী কৰাৰ প্ৰধানকৈ দুটা পদ্ধতি আছে যেনে—

১) প্ৰকৃত কাৰ্যকৰণ

২) কাৰ্যকৰণৰ প্ৰচেষ্টা বা তৎপৰতা

যেতিয়া চুক্তিৰ পক্ষসমূহে চুক্তিৰ অধীনস্থ বাধ্যবাধকতাবিলাক সম্পূৰ্ণৰূপে পূৰণ কৰে, তেতিয়াই সেই চুক্তি প্ৰকৃতাৰ্থত কাৰ্যকৰী কৰা বুলি কোৱা হয়। প্ৰকৃত কাৰ্যকৰণে একোটা চুক্তি সমাপ্তিলৈ আনে।

অনুচ্ছেদ ৩৭ত এই কথা স্পষ্টকৈ কোৱা হৈছে যে একোটা চুক্তিৰ পক্ষসমূহে তেওঁলোকৰ নিজ নিজ প্ৰতিশ্ৰুতি হয় কাৰ্যকৰী কৰিব লাগিব নহয় কাৰ্যকৰী কৰাৰ প্ৰস্তাৱ দিব লাগিব। একোটা চুক্তিৰ অধীনত একোটা প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিবলৈ বদ্ধপৰিকৰ কোনো পক্ষই যেতিয়া সঠিক সময় আৰু স্থানত ইয়াক কাৰ্যকৰী কৰিবলৈ সাজু হয় আৰু ইচ্ছা কৰে, কিন্তু সেয়া কৰিবলৈ সমৰ্থ নহয় কিয়নো আনটো পক্ষই সেই কাৰ্যকৰণ গ্ৰহণ কৰা নাই। এটা পক্ষৰ কাৰ্যকৰণৰ এই ইচ্ছাক কোৱা হয় 'কাৰ্যকৰণৰ প্ৰচেষ্টা' বা কাৰ্যকৰণৰ প্ৰস্তাৱ' বা 'তৎপৰতা'।



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ১ঃ একোটা চুক্তিৰ কাৰ্যকৰণৰ অৰ্থ উল্লেখ কৰক।

.....

.....

৩.৪ কার্যকৰণৰ গ্ৰহণযোগ্য তৎপৰতাৰ আৱশ্যকতা (ESSENTIALS OF A VALID TENDER OF PERFORMANCE)

অনুচ্ছেদ ৩৮ৰ অধীনত, একোটা তৎপৰতা গ্ৰহণযোগ্য হ'বলৈ নিম্নোলিখিত আৱশ্যকতাসমূহ থাকিব লাগিব।

১) ই চৰ্তহীন হ'ব লাগিব।

২) ই সমস্ত বাধ্যবাধকতা বাবে হ'ব লাগব। যদি চুক্তিত ইয়াক সম্পূৰ্ণ কৰাৰ কথা আছে তেন্তে ই আংশিক হ'ব নালাগিব।

৩) একোটা অৱস্থানত বাকী লোকৰ দ্বাৰা এই কাম কৰা হ'ব লাগিব আৰু তেওঁ প্ৰতিশ্ৰুতি কার্যকৰী কৰা বাবে ইচ্ছুক হ'ব লাগিব।

৪) ই সঠিক সময় আৰু স্থানত হ'ব লাগিব। ব্যৱসায়িক কার্য সম্পাদনৰ পিছত বা কার্যকৰণৰ তাৰিখৰ পূৰ্বে সম্পাদনৰ তৎপৰতা গ্ৰহণযোগ্য নহ'ব।

৫) ই সঠিক ৰূপত হ'ব লাগিব।

৬) ই সঠিক লোকৰ ক্ষেত্ৰত কৰা হ'ব লাগিব, অর্থাৎ প্ৰতিশ্ৰুতি পাওঁতা বা তেওঁৰ কর্তৃত্বপ্ৰাপ্ত প্ৰতিনিধিৰ প্ৰতি কৰিব লাগিব।

৭) সামগ্ৰীৰ যোগানৰ ক্ষেত্ৰত, সেই সামগ্ৰী পৰীক্ষা কৰি চাবলৈ প্ৰতিশ্ৰুতি পাওঁতাক যুক্তিসংগত সুযোগ দিব লাগিব।

৮) কেইবাজনো যুটীয়া প্ৰতিশ্ৰুতি পাওঁতাৰ এজনৰ প্ৰতি এই কাম কৰা হ'ব পাৰে।

৩.৪.১ চুক্তি কোনে কার্যকৰী কৰিব লাগে (By whom contract must be performed)

ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ৪০ অনুসৰি, 'ঘটনাৰ প্ৰকৃতিৰ পৰা যদি এই কথা দেখা যায় যে কোনো চুক্তিৰ পক্ষসমূহৰ উদ্দেশ্য এইটোৱেই যে চুক্তিত থকা যিকোনো প্ৰতিশ্ৰুতি, প্ৰতিশ্ৰুতি দিওঁতাই নিজে কার্যকৰী কৰিব লাগে, এনে প্ৰতিশ্ৰুতি, প্ৰতিশ্ৰুতি দিওঁতাই পালন কৰিব লাগে। অন্য ঘটনাবিলাকৰ ক্ষেত্ৰত, প্ৰতিশ্ৰুতি দিওঁতাই বা তেওঁৰ প্ৰতিনিধিয়ে ইয়াক কার্যকৰী কৰিবলৈ কোনো সমর্থ লোকক নিযুক্তি কৰিব লাগে।'

নিম্নোল্লিখিত লোকসকলে একোটা চুক্তি কার্যকৰী কৰিব পাৰে—

১) **প্ৰতিশ্ৰুতি দিওঁতাই নিজে ঃ** চুক্তি কাৰ দ্বাৰা কার্যকৰী কৰা হ'ব সেই কথা চুক্তিৰ প্ৰকৃতিয়ে নির্দ্ধাৰণ কৰে। ঘটনাৰ প্ৰকৃতিৰ পৰা যদি এই কথা অনুধাৱন হয় যে কোনো চুক্তিৰ পক্ষসমূহৰ উদ্দেশ্য এইটোৱেই যে চুক্তিত থকা যিকোনো প্ৰতিশ্ৰুতি, প্ৰতিশ্ৰুতি দিওঁতাই নিজে কার্যকৰী কৰিব লাগে, তেতিয়া ইয়াক তেওঁ কার্যকৰী কৰিব লাগে। এনেধৰণৰ চুক্তিবিলাকত সাধাৰণতে প্ৰতিশ্ৰুতি দিওঁতাৰ ব্যক্তিগত দক্ষতা জড়িত হৈ থাকে। প্ৰতিশ্ৰুতি দিওঁতাৰ মৃত্যু হ'লে এনে চুক্তি সমাপ্ত হয়।

উদাহৰণ ঃ 'ৰাই'ৰ ঘৰৰ এখন নক্সা প্ৰস্তুত কৰিব বুলি 'এক্স'য়ে প্ৰতিশ্ৰুতি দিলে। 'এক্স'য়ে নিজে এই প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিব লাগিব। কিয়নো ইয়াত 'এক্স'ৰ দক্ষতাৰ প্ৰয়োজন আছে।

২) **প্ৰতিনিধি ঃ** অনুচ্ছেদ ৪০ৰ পেৰেগ্ৰাফ ২ অনুসৰি, যদি চুক্তি ব্যক্তিগত চৰ্তত গঠন কৰা হোৱা নাই তেন্তে প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিবৰ বাবে প্ৰতিশ্ৰুতি দিওঁতাই প্ৰতিশ্ৰুতি পালনৰ বাবে প্ৰতিনিধি হিচাপে এজন সমৰ্থবান লোকক নিযুক্ত কৰিব পাৰে।

৩) **আইনগত প্ৰতিনিধি ঃ** প্ৰতিশ্ৰুতি দিওঁতাৰ কোনো ব্যক্তিগত দক্ষতাৰ কথা জড়িত হৈ নথকা চুক্তিবিলাক কাৰ্যকৰী কৰাৰ আগতেই তেওঁৰ মৃত্যু হ'লে প্ৰতিশ্ৰুতি দিওঁতাৰ আইনগত প্ৰতিনিধিয়ে কাৰ্যকৰী কৰিব পাৰে, যদিহে চুক্তিৰ পৰা কোনো বিপৰীত প্ৰৱণতাৰ উদ্ভৱ নহয়। প্ৰতিশ্ৰুতি পাওঁতাই আইনগত প্ৰতিনিধিক প্ৰতিশ্ৰুতি পালনৰ বাবে বাধ্য কৰাব পাৰে।

৪) **তৃতীয় পক্ষ ঃ** অনুচ্ছেদ ৪১ অনুসৰি, যদি প্ৰতিশ্ৰুতি পাওঁতাই এজন তৃতীয় ব্যক্তিৰ দ্বাৰা প্ৰতিশ্ৰুতিৰ কাৰ্যকৰণ গ্ৰহণ কৰে, তেন্তে পিছত তেওঁ ইয়াক প্ৰতিশ্ৰুতি দিওঁতাৰ ওপৰত প্ৰয়োগ কৰিব নোৱাৰে। এনে ক্ষেত্ৰত চুক্তি সমাপ্তিলৈ আহে আৰু পৰৱৰ্তী দায়বদ্ধতাৰ পৰা প্ৰতিশ্ৰুতি দিওঁতাক খালাচ দিয়া হয়।

৩.৪.২ কাৰ্যকৰণ দাবী কৰিব পৰা লোক (Persons Entitled to Demand Performance)

১) **প্ৰতিশ্ৰুতি পাওঁতা ঃ** যিজন লোকক প্ৰতিশ্ৰুতি দিয়া হয় কেৱল তেওঁহে একোটা চুক্তিৰ কাৰ্যকৰণ দাবী কৰিব পাৰে। কেৱল প্ৰতিশ্ৰুতি পাওঁতাৰ বাবেহে চুক্তি কাৰ্যকৰী কৰা হয়। একোটা চুক্তিৰ অধীনত প্ৰতিশ্ৰুতিৰ কাৰ্যকৰণ কেৱল প্ৰতিশ্ৰুতি পাওঁতাইহে দাবী কৰিব পাৰে।

উদাহৰণ ঃ 'এক্স'য়ে 'ৰাই'ক ১০,০০০/- টকা দিব বুলি প্ৰতিশ্ৰুতি দিলে। 'এক্স'য়ে 'জেড'ক ধনখিনি দিয়া নাই। ইয়াত 'জেড'-এ 'এক্স'ক ধনখিনি দিবলৈ দাবী কৰিব নোৱাৰে। কেৱল প্ৰতিশ্ৰুতি পাওঁতা 'ৰাই'-য়েহে প্ৰতিশ্ৰুতি দিওঁতা 'এক্স'ৰ বিৰুদ্ধে প্ৰতিশ্ৰুতি পালনৰ দাবী জনাব পাৰে।

২) **আইনগত প্ৰতিনিধি ঃ** প্ৰতিশ্ৰুতি পাওঁতাৰ মৃত্যু হ'লে তেওঁৰ আইনগত প্ৰতিনিধিয়ে চুক্তিৰ কাৰ্যকৰণ দাবী কৰিব পাৰে, যদিহে চুক্তিৰ পৰা কোনো বিপৰীত প্ৰৱণতাৰ উদ্ভৱ নহয়। প্ৰতিশ্ৰুতি দিওঁতাই আইনগত প্ৰতিনিধিক কাৰ্যকৰী কৰিবলৈ বাধ্য কৰাব পাৰে।

উদাহৰণ ঃ 'এ'ই 'বি'ক বিয়া কৰোৱাৰ সন্মতি দিলে। কিন্তু বিয়া হোৱাৰ আগতেই 'বি'ৰ মৃত্যু হ'ল। তেতিয়া 'বি'ৰ আইনগত প্ৰতিনিধিয়ে 'এ'ক প্ৰতিশ্ৰুতিৰ কাৰ্যকৰণ দাবী কৰিব নোৱাৰে।



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ২ঃ একোটা চুক্তি কার্যকৰী কৰিবলগীয়া পক্ষসমূহ কোন?

.....

.....

প্ৰশ্ন নং ৩ঃ একোটা চুক্তিৰ কার্যকৰণ দাবী কৰিব পৰা পক্ষসমূহ কোন?

.....

.....

৩.৫ যুটীয়া প্ৰতিশ্ৰুতিৰ কার্যকৰণ (PERFORMANCE OF JOINT PROMISES)

যেতিয়া একোটা প্ৰতিশ্ৰুতি দুজন বা ততোধিক লোকে যুটীয়াভাৱে দিয়ে, তেতিয়া ইয়াক কোৱা হয় যুটীয়া প্ৰতিশ্ৰুতি। যুটীয়া চুক্তি কার্যকৰণৰ ক্ষেত্ৰত থকা চুক্তি আইনৰ ব্যৱস্থাৱলী তলত দিয়া হ'ল ঃ

১) **যুটীয়া প্ৰতিশ্ৰুতি দিওঁতা বা তেওঁলোকৰ প্ৰতিনিধিয়ে যুটীয়াভাৱে প্ৰতিশ্ৰুতি পালন কৰিব ঃ** যেতিয়া দুজন বা ততোধিক লোকে একোটা যুটীয়া প্ৰতিশ্ৰুতি দিয়ে, তেতিয়া চুক্তিৰ পৰা বিপৰীত প্ৰৱণতাৰ উদ্ভৱ নহ'লে, এই সকলো লোকে যুটীয়ভাৱে প্ৰতিশ্ৰুতি পূৰণ কৰিব লাগে। যেতিয়া যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাৰ যিকোনো এজনৰ মৃত্যু হয়, তেতিয়া তেওঁৰ আইনগত প্ৰতিনিধিয়ে বাকী থকা প্ৰতিশ্ৰুতি দিওঁতাসকলৰ লগত যুটীয়াভাৱে প্ৰতিশ্ৰুতি পূৰণ কৰিব লাগিব। সকলো মূল প্ৰতিশ্ৰুতি দিওঁতাৰ মৃত্যু হ'লে, তেওঁলোক সকলোৱে আইনগত প্ৰতিনিধিয়ে যুটীয়াভাৱে প্ৰতিশ্ৰুতি পূৰণ কৰিব লাগিব (অনুচ্ছেদ ৪২)।

২) **যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাসকলৰ যিকোনো এজন কার্যকৰণৰ বাবে বাধ্য হ'ব পাৰে ঃ** একোটা যুটীয়া প্ৰতিশ্ৰুতিৰ ক্ষেত্ৰত, সমগ্ৰ প্ৰতিশ্ৰুতি পূৰণৰ বাবে এনে যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাৰ সকলোকে বা যিকোনো এজনক প্ৰতিশ্ৰুতি পাওঁতাই বাধ্য কৰাব পাৰে, যদিহে প্ৰকাশিত চুক্তিৰ পৰা কোনো বিপৰীত প্ৰৱণতাৰ উদ্ভৱ নহয়।

৩) **প্ৰতিজন প্ৰতিশ্ৰুতি দিওঁতাই অৰিহণা বাধ্য কৰাব পাৰে ঃ** প্ৰতিশ্ৰুতিৰ কার্যকৰণৰ বাবে যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাসকলৰ প্ৰত্যেকেই অন্য যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাক তেওঁৰ সৈতে সমানে অৰিহণা আগবঢ়াবলৈ বাধ্য কৰাব পাৰে, অর্থাৎ, যদি যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাসকলৰ যিকোনো এজন সম্পূৰ্ণ প্ৰতিশ্ৰুতি পূৰণ কৰিবলৈ বাধ্য হয় তেতিয়া তেওঁ প্ৰতিশ্ৰুতি কার্যকৰী কৰাৰ ক্ষেত্ৰত সমান অৰিহণা যোগাবলৈ আন যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাসকলক বাধ্য কৰাব পাৰে।

৪) **অৰিহণা যোগোৱাত অপাৰগতাৰ বাবে হোৱা ক্ষতি ভগাই লোৱা ঃ** যদি যুটীয়া প্ৰতিশ্ৰুতি

দিওঁতাসকলৰ যিকোনো এজন অৱিহণা যোগাবলৈ অপাৰগ হয়, তেতিয়া বাকী থকা যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাসকলে, সমান অংশ বহন কৰিবলৈ হোৱা অপাৰগতাৰ ফলত সৃষ্টি হোৱা ক্ষতি বহন কৰিব লাগিব।

৫) **প্ৰতিশ্ৰুতি পাওঁতাই যিকোনো এজন যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাক মুক্তি দিব পাৰে ঃ** কেতিয়াবা প্ৰতিশ্ৰুতি পাওঁতাই যিকোনো এজন যুটীয়া প্ৰতিশ্ৰুতি দিওঁতাক মুক্তি দিব পাৰে। কিন্তু এই কাৰ্যই বাকী প্ৰতিশ্ৰুতি দিওঁতাসকলক মুক্তি নিদিয়ে আৰু সেয়ে তেওঁলোকে নিজৰ অৱিহণা আগবঢ়াবলৈ বদ্ধপৰিকৰ।

৩.৬ একোটা চুক্তিৰ কাৰ্যকৰণৰ সময়, স্থান আৰু ধৰণ অনুসৰি বিধিগত ব্যৱস্থা (LEGAL PROVISIONS REGARDING THE TIME, PLACE AND MANNER OF PERFORMANCE OF A CONTRACT)

ব্যৱস্থা ঃ একোটা চুক্তিৰ কাৰ্যকৰণৰ সময়, স্থান আৰু ধৰণ অনুসৰি অনুচ্ছেদ ৪৬ ৰ পৰা ৫০লৈ বিভিন্ন বিধিগত ব্যৱস্থা উল্লেখ কৰা হৈছে। সেয়ে একোটা চুক্তিৰ কাৰ্যকৰণৰ সময়, স্থান আৰু ধৰণৰ ক্ষেত্ৰত চুক্তিত আবদ্ধ পক্ষসমূহ নিজে সন্মত হ'ব লাগিব। এই ক্ষেত্ৰত থকা আইনগত ব্যৱস্থাৱলী এনেধৰণৰ—

১) **অনুচ্ছেদ ৪৬ৰ অধীনত, এক যুক্তিগত সময়ৰ ভিতৰত কাৰ্যকৰণ ঃ** অনুচ্ছেদ ৪৬ অনুসৰি এজন প্ৰতিশ্ৰুতি দিওঁতাই তেওঁৰ প্ৰতিশ্ৰুতি এক যুক্তিসংগত সময়ৰ ভিতৰত পালন কৰিব লাগে। আনহাতে, যুক্তিসংগত সময় নিৰ্ভৰ কৰিব ঘটনাৰ পাৰিপাৰ্শ্বিকতাৰ, বাণিজ্যৰ উপযোগিতা বা চুক্তিত আবদ্ধ পক্ষসমূহৰ উদ্দেশ্যৰ ওপৰত।

২) **অনুচ্ছেদ ৪৭ৰ অধীনত কাৰ্যকৰণৰ বাবে নিৰ্ধাৰিত সময় আৰু স্থান ঃ** যদি এটা নিৰ্দিষ্ট দিনত প্ৰতিশ্ৰুতি পালন কৰিব লগা থাকে, তেন্তে প্ৰতিশ্ৰুতি পাওঁতাৰ পৰা আৱেদন নোপোৱাকৈয়ে প্ৰতিশ্ৰুতি দিওঁতাই ইয়াক কাৰ্যকৰী কৰিব পাৰে। অনুচ্ছেদ ৪৭ অনুসৰি, 'এনে ক্ষেত্ৰত এনেকুৱা নিৰ্দিষ্ট দিনৰ সাধাৰণ কৰ্ম সময়ৰ ভিতৰত প্ৰতিশ্ৰুতি দিওঁতাই প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিব পাৰে আৰু যি স্থানত প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰা উচিত সেই স্থানত ইয়াক কাৰ্যকৰী কৰিব লাগে।

৩) **অনুচ্ছেদ ৪৮ৰ অধীনত, এটা নিদিষ্ট দিনত কাৰ্যকৰণ ঃ** যদি প্ৰতিশ্ৰুতি এটা নিৰ্দিষ্ট দিনত কাৰ্যকৰী কৰিব লাগে, তেনে কৰিবৰ বাবে প্ৰতিশ্ৰুতি পাওঁতাৰ পৰা আবেদন লাভ কৰাৰ পিছতে প্ৰতিশ্ৰুতি দিওঁতাই ইয়াক পূৰণ কৰিব পাৰে।

৪) **অনুচ্ছেদ ৪৯ৰ অধীনত, কোনো স্থান নিৰ্ধাৰিত নাথাকিলে আৰু আৱেদন নোহোৱাকৈ প্ৰতিশ্ৰুতিৰ কাৰ্যকৰণ ঃ** প্ৰতিশ্ৰুতি পাওঁতাৰ পৰা আৱেদন নোহোৱাকৈ আৰু য'ত চুক্তিৰ কাৰ্যকৰণৰ কোনো স্থান উল্লেখ কৰা নাথাকে, তেনে ক্ষেত্ৰত প্ৰতিশ্ৰুতি দিওঁতাই প্ৰতিশ্ৰুতি পাওঁতাৰ ওচৰত আৱেদন দাখিল কৰি ক'ত প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিব লাগে সেই সম্পৰ্কে জনাবলৈ ক'ব লাগে আৰু উক্ত স্থানত প্ৰতিশ্ৰুতি কাৰ্যকৰী কৰিব লাগে।

উদাহৰণ ঃ এটা নির্দিষ্ট দিনত 'এম'-য়ে 'এন'ক ২,০০০ কিলো চাউল দিয়াৰ প্ৰতিশ্ৰুতি দিলে। ইয়াক গ্ৰহণ কৰিবৰ বাবে এটা স্থান দিবলৈ 'এম'-য়ে আৱেদন কৰিব লাগিব আৰু সেই স্থানত তেওঁ 'এন'ক চাউলখিনি দিব লাগিব।

৫) **অনুচ্ছেদ ৫০ৰ অধীনত, প্ৰতিশ্ৰুতি দিওঁতাৰ পৰামর্শ মতে কার্যকৰণ ঃ** অনুচ্ছেদ ৫০ অনুসৰি, প্ৰতিশ্ৰুতি দিওঁতাৰ পৰামর্শ মতে যিকোনো ধৰণে বা যিকোনো স্থানত যিকোনো ধৰণৰ প্ৰতিশ্ৰুতি কার্যকৰী কৰিব পাৰি।

উদাহৰণ ঃ ঋণ কর্তন কৰি 'টি'য়ে নিজৰ ১০,০০০/- টকীয়া গাড়ীখন 'এছ'ক দিব বিচাৰিলে। গাড়ীখন দি দিয়াটো হ'ব ঋণৰ এক আংশিক পৰিশোধ।

৩.৭ কার্যকৰী কৰাৰ আৱশ্যকতা নথকা চুক্তি (CONTRACTS WHICH NEED NOT BE PERFORMED)

কোনো চুক্তি কার্যকৰী কৰাৰ প্ৰয়োজন নথকা পৰিস্থিতিসমূহ তলত দিয়া ধৰণৰ ঃ

(ক) অনুচ্ছেদ ৬২ অনুসৰি, যদি একোটা চুক্তি আৱদ্ধ পক্ষসমূহ নবীকৰণ, বাতিলকৰণ বা সালসলনি কৰিবৰ বাবে সন্মত হয়, তেতিয়া মূল চুক্তি কার্যকৰী কৰাৰ প্ৰয়োজন নহয়। এনে ক্ষেত্ৰত মূল চুক্তিখনৰ ঠাইত এখন নতুন চুক্তি লোৱা হয়।

(খ) অনুচ্ছেদ ৬৩ অনুসৰি, যদি একোটা চুক্তিৰ পক্ষসমূহ প্ৰতিশ্ৰুতিৰ কার্যকৰণ সম্পূৰ্ণৰূপে বা আংশিকভাৱে বন্ধ কৰিবলৈ সন্মত হয়, তেতিয়া মূল চুক্তিখন খালাচ হয়।

(গ) অনুচ্ছেদ ৬৪ অনুসৰি, যেতিয়া একোটা চুক্তি বাতিল কৰে, তেতিয়া তাত জড়িত আন পক্ষই তেওঁৰ প্ৰতিশ্ৰুতি কার্যকৰী কৰাৰ প্ৰয়োজন নাথাকে।

(ঘ) অনুচ্ছেদ ৬৭ অনুসৰি, যদি প্ৰতিশ্ৰুতি কার্যকৰী কৰিবৰ বাবে প্ৰতিশ্ৰুতি পাওঁতাই প্ৰতিশ্ৰুতি দিওঁতাক যুক্তিসংগত সা-সুবিধা দিয়াত অৱহেলা কৰে, তেন্তে প্ৰতিশ্ৰুতি দিওঁতাক প্ৰতিশ্ৰুতি কার্যকৰী নকৰাৰ বাবে ৰেহাই দিয়া হয়।

৩.৮ চুক্তি খালাচ কৰাৰ অর্থ (MEANING OF DISCHARGE OF CONTRACT)

চুক্তি খালাচ হোৱা মানেই পক্ষসমূহৰ মাজত চুক্তিবদ্ধ সম্পর্কৰ অৱসান বুজায়। একোটা চুক্তি যদিহে কার্যকৰীকৰণ বন্ধ হয় আৰু ই সৃষ্টি কৰা অধিকাৰ আৰু বাধ্যবাধকতা যেতিয়া সমাপ্ত হয় তেতিয়াই ই খালাচ হোৱা বুজায়। কেতিয়াবা, একোটা চুক্তি খালাচ হোৱাৰ পৰিণাম স্বৰূপে অন্য অধিকাৰ আৰু বাধ্যবাধকতা উদ্ভৱ হ'ব পাৰে। এইবিলাক মূল চুক্তিৰ পৰা স্বাধীন।

৩.৯ চুক্তি খালাচ কৰাৰ পদ্ধতি (MODE OF DISCHARGE OF CONTRACT)

আইনখনৰ বেলেগ বেলেগ অনুচ্ছেদত চুক্তি খালাচৰ বেলেগ বেলেগ ধৰণ বা পদ্ধতিৰ কথা উল্লেখ আছে। এইবিলাক হৈছে ঃ

৩.৯.১ কার্যকৰণৰ দাবী (Discharge by Performance)

চুক্তিত আবদ্ধ প্ৰতিটো পক্ষ নিজৰ নিজৰ বাধ্যবাধকতা কার্যকৰী কৰিবলৈ বদ্ধপৰিকৰ। চুক্তি আবদ্ধ পক্ষসমূহে চুক্তিৰ কার্যকৰণ সঠিকভাৱে সম্পন্ন কৰিলে চুক্তিৰ অধীনত থকা তেওঁলোকৰ দায়বদ্ধতা সমাপ্তিলৈ আহে। এনে ক্ষেত্ৰত, চুক্তি কার্যকৰণৰ দ্বাৰা খালাচ হোৱা বুলি কোৱা হয়। চুক্তিৰ প্ৰকৃত উদ্দেশ্য অনুসৰি কার্যকৰণ সম্পূৰ্ণ হ'বই লাগিব। নির্ধাৰিত সময় আৰু ধৰণ অনুসৰি কার্যকৰণ সম্পন্ন কৰিব লাগিব। চুক্তিৰ কার্যকৰণ দুই ধৰণৰ হ'ব পাৰে। যেনে—

১) **প্ৰকৃত কার্যকৰণ ঃ** যেতিয়া চুক্তিত আবদ্ধ সকলো পক্ষই তেওঁলোকৰ নিজ নিজ প্ৰতিশ্ৰুতি কার্যকৰী কৰে, তেতিয়া চুক্তি খালাচ হোৱা বুলি কোৱা হয় আৰু চুক্তি সমাপ্তিলৈ আহে। পক্ষসমূহে কৰা কার্যকৰণ চুক্তিৰ সময় আৰু চর্ত সাপেক্ষে হ'ব লাগিব।

২) **কার্যকৰণৰ তৎপৰতা ঃ** চুক্তিৰ অধীনত থকা নিজৰ বাধ্যবাধকতা কার্যকৰী কৰিবলৈ যেতিয়া প্ৰতিশ্ৰুতি দিওঁতাই প্ৰস্তাৱ দিয়ে, কিন্তু প্ৰতিশ্ৰুতি পাওঁতাই সেই কার্যকৰণ গ্ৰহণ নকৰা বাবে সেই কাম কৰিবলৈ অসমর্থ হয়, ইয়াক কোৱা হয় কার্যকৰণৰ তৎপৰতা বা প্ৰৱণতা। তৎপৰতা বা প্ৰৱণতা প্ৰকৃত কার্যকৰণ নহয়। ই কেৱল কার্যকৰণৰ প্ৰস্তাৱহে।

৩.৯.২ চুক্তি বা সন্মতিৰ দ্বাৰা (By Agreement on Consent)

একোটা চুক্তিয়ে সৃষ্টি কৰা অধিকাৰ আৰু বাধ্যবাধকতাবিলাক কার্যকৰী নকৰাকৈ খালাচ কৰিব পৰা যায় যদিহে পক্ষসমূহৰ মাজত মাত্ৰ এক চুক্তি স্বাক্ষৰিত হয়। এনে ক্ষেত্ৰত মূল চুক্তি কার্যকৰী কৰিব লাগে। অনুচ্ছেদ ৬২ আৰু ৬৩ত এই বিষয়ে উল্লেখ আছে আৰু পাৰস্পৰিক সন্মতিৰ জৰিয়তে একোটা চুক্তি খালাচ কৰাৰ নিম্নোল্লিখিত পদ্ধতিবিলাক আগবঢ়াইছে ঃ

১) **নবীকৰণ ঃ** পূৰণা চুক্তিৰ ঠাইত নতুন এখন চুক্তি স্বাক্ষৰিত হোৱাক 'চুক্তিৰ নবীকৰণ' বুলি জনা যায়। নতুন চুক্তি একেখিনি পক্ষৰ মাজত হ'ব পৰা বা বেলেগ বেলেগ পক্ষৰ মাজত হ'ব পাৰে, পুৰণা চুক্তি খালাচ কৰিবৰ বাবে পাৰস্পৰিক সহমতৰ প্ৰয়োজন।

   (ক) একেখিনি পক্ষৰ মাজত এক পুৰণা চুক্তিৰ বাবে নতুন চর্তাৱলীৰে পুৰণা চুক্তিৰ ঠাইত নতুন চুক্তি স্বাক্ষৰিত হ'ব পাৰে।

   (খ) চুক্তি একেই ৰাখি পুৰণা কোনো পক্ষৰ ঠাইত নতুন পক্ষ থাকিব পাৰে। এনে ক্ষেত্ৰত প্ৰতিশ্ৰুতি পাওঁতাই প্ৰতিশ্ৰুতিৰ কার্যকৰণৰ বাবে এতিয়া তৃতীয় পক্ষৰ ওপৰত মনোযোগ দিব। পুৰণা চুক্তিৰ অধীনত থকা আগৰ প্ৰতিশ্ৰুতি দিওঁতাক মুক্তি দিয়া হয়।

২) **সালসলনি ঃ** সালসনি মানে হৈছে চুক্তিৰ এটা বা একাধিক চর্ত পৰিৱর্তন কৰা। সালসলনিত মূল চুক্তি সম্পূৰ্ণৰূপে বাতিল নহয়। মূল চুক্তিৰ মাথো কিছুমান

চৰ্ত বাতিল কৰা হয় আৰু সেইবোৰ কার্যকৰী কৰা নহয়। সকলো পক্ষৰে সন্মতি সাপেক্ষেহে সালসলনি কৰিব লাগে। একোটা গ্ৰহণযোগ্য সালসলনিয়ে মূল চুক্তি খালাচ কৰে আৰু এক নতুন চুক্তিৰ জৰিয়তে পক্ষসমূহ সাঙোৰ খাই পৰে।

৩) **বাতিলকৰণ ঃ** বাতিলকৰণ মানে হৈছে চুক্তি খাৰিজ কৰা। তলত দিয়া যিকোনো এটা পদ্ধতিৰে চুক্তি বাতিল কৰা হ'ব পাৰে।

পাৰস্পৰিক সন্মতিৰে ঃ একোটা চুক্তি ভংগ হোৱাৰ পূৰ্বে ইয়াক বাতিল কৰিবৰ বাবে পক্ষসমূহ এটা সাধাৰণ সহমতত উপনীত হ'ব পাৰে।

অসন্তুষ্ট পক্ষৰ দ্বাৰা ঃ য'ত এটা পক্ষই চুক্তি ভংগ কৰিছে, তেতিয়া অসন্তুষ্ট পক্ষই চুক্তি ভংগ হোৱা বাবে তেওঁৰ ক্ষতিপূৰণ লাভ কৰাৰ অধিকাৰ কোনো ধৰণে ক্ষতিগ্ৰস্ত নোহোৱাকৈ চুক্তি বাতিল কৰিব পাৰে।

যাৰ সন্মতি মুক্ত নহয় সেই পক্ষৰ দ্বাৰা ঃ একোটা পৰিহাৰযোগ্য চুক্তিৰ ক্ষেত্ৰত, পক্ষসমূহৰ এটাই ইয়াক বাতিল কৰিব পাৰে।

একোটা চুক্তি প্ৰায়োগিক ক্ষেত্ৰটো বাতিল কৰা হ'ব পাৰে। এই ঘটনা তেতিয়া ঘটে যেতিয়া পক্ষসমূহে তেওঁলোকৰ প্ৰতিশ্ৰুতি কার্যকৰী নকৰে আৰু দীৰ্ঘ সময় ধৰি কার্যকৰণ নোহোৱা বাবে অভিযোগ নকৰাকৈ থাকে।

৪) **ৰেহাই ঃ** ৰেহাই মানে হৈছে যাৰ বাবে চুক্তি কৰা হৈছিল তাতকৈ এটা কম পৰিমাণ গ্ৰহণ কৰা বা ইতিমধ্যে দিয়া প্ৰতিশ্ৰুতিতকৈ কমকৈ পূৰণ কৰা কার্য মানি লোৱা। উদাহৰণ ঃ 'এ'ই 'বি'ক ৫,০০০ টকা দিব লাগে। এই ৫,০০০ টকাৰ সম্পূৰ্ণ ঋণৰ ঠাইত 'এ'ই ২,০০০ টকা দিলে আৰু 'বি'য়ে সমুদায় ঋণ আদায় পোৱা বুলি ক'লে। সম্পূৰ্ণ ঋণ খালাচ হৈ যাব।

৫) **পৰিত্যাগ ঃ** পৰিত্যাগ মানে হৈছে একোটা চুক্তিৰ অধীনত এটা পক্ষই পাবলগা অধিকাৰ পৰিত্যাগ কৰা, য'ত চুক্তিত আবদ্ধ আনটো পক্ষ নিজৰ বাধ্যবাধকতাৰ পৰা মুক্ত হয়।

উদাহৰণ ঃ 'বি'ৰ বাবে এখন ছবি আঁকিব বুলি 'এ'ই প্ৰতিশ্ৰুতি দিলে। পিছত 'বি'য়ে তেওঁক সেই কাম কৰিব নালাগে বুলি ক'লে। 'এ'ই আৰু তেতিয়া সেই প্ৰতিশ্ৰুতি পালন কৰিব নালাগে।

৩.৯.৩ কার্যকৰণৰ সম্ভাৱনীয়তা নোহোৱাৰ দ্বাৰা (By Impossibility of Performance)

একোটা চুক্তি খালাচ হ'ব পাৰে, যদিহে ইয়াৰ কার্যকৰণ অসম্ভৱ হয়। তলত দিয়া ব্যৱস্থাসমূহৰ ওপৰত কার্যকৰণৰ অসম্ভাৱনীয়তা নিৰ্ভৰশীল। যেনে (১) যি অসম্ভৱ সেই কথা আইনে চিনাক্ত নকৰিলে আৰু (২) যি অসম্ভৱ সি এক বাধ্যবাধকতাৰ সৃষ্টি নকৰিলে।

আইনখনৰ অনুচ্ছেদ ৫৬ অনুসৰি, 'একোটা চুক্তি কার্যকৰী কৰিবলৈ অসম্ভৱ হ'লে ই নিজে নিজেই বাতিল হয়।'

কার্যকৰণৰ অসম্ভৱতা দুই প্ৰকাৰৰ আছে যেনে—

১) চুক্তি কৰাৰ সময়ত থকা অসম্ভৱতা।

২) চুক্তি কৰাৰ পিছৰ সময়ত উদ্ভৱ হোৱা অসম্ভৱতা।

১) **চুক্তি কৰাৰ সময়ত থকা অসম্ভৱতা ঃ** যি কাম কৰাটো মুঠেই সম্ভৱ নহয়, তেনে কাম কৰিবৰ বাবে কৰা চুক্তি খালাচ কৰাৰ প্ৰশ্ন নুঠে। চুক্তিত আবদ্ধ হোৱাৰ সময়ত পক্ষসমূহে এই অসম্ভৱতাৰ বিষয়ে জানিবও পাৰে বা নাজানিবও পাৰে। উদাহৰণ ঃ 'এ'ই তেওঁৰ ঘোঁৰাটো 'বি'ক বিক্ৰী কৰিব বুলি সন্মতি দিলে। কিন্তু দুয়োটা পক্ষই জনা নাছিল যে ঘোঁৰাটো ইতিমধ্যে মৰিছে। অসম্ভৱতাৰ ভিত্তিত এই চুক্তি বাতিল হ'ব।

২) **চুক্তি কৰাৰ পিছৰ সময়ত উদ্ভৱ হোৱা অসম্ভৱতা ঃ** কিছুমান ক্ষেত্ৰত এনেকুৱাও হ'ব পাৰে যে একোটা চুক্তি গঠন কৰাৰ পিছত উদ্ভৱ হোৱা পৰিস্থিতিৰ বাবে ইয়াৰ কাৰ্যকৰণ সম্ভৱ নহয়। ইয়াক কোৱা হয় কাৰ্যকৰণৰ পৰৱৰ্তী সময়ৰ কাৰ্যকৰণৰ অসম্ভৱতাৰ বাবে বাতিল হোৱা চুক্তি ঃ

(ক) চুক্তিৰ কাৰ্যকাৰিতা অসম্ভৱ হ'লে।

(খ) পক্ষসমূহৰ নিয়ন্ত্ৰণৰ বাহিৰৰ বাতাবৰণৰ বাবে অসম্ভৱতাৰ সৃষ্টি হ'ব পাৰে।

(গ) পক্ষসমূহৰ কাৰ্যকলাপৰ বাবে অসম্ভৱতাৰ সৃষ্টি হ'ব নালাগিব।

৩.৯.৪ সময়ৰ অভাৱৰ দ্বাৰা (By lapse of Time)

সীমাৱদ্ধতা আইন, ১৯৬৩ অনুসৰি একোটা চুক্তি এক নিৰ্ধাৰিত সময়ৰ ভিতৰত কাৰ্যকৰী কৰিব লাগিব। যদি এই নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত ইয়াক কাৰ্যকৰী কৰা নহয় আৰু যাৰ বিৰুদ্ধে প্ৰতিশ্ৰুতি পাওঁতাই আদালতত নিৰ্ধাৰিত সময়ৰ ভিতৰত পদক্ষেপ গ্ৰহণ কৰা নাই, তেতিয়া প্ৰতিশ্ৰুতি পাওঁতাক আদালতত গোচৰ তৰাত বাধা দিয়া হয়। এনে ক্ষেত্ৰত, চুক্তি খালাচ হয়।

এনেদৰে, কেতবোৰ নিৰ্দিষ্ট পৰিস্থিতিত সময় অতিক্ৰান্ত হ'লে চুক্তি খালাচ হ'ব পাৰে।

৩.৯.৫ আইনৰ প্ৰয়োগৰ দ্বাৰা (By operation of law)

একোটা চুক্তি আইনৰ পদক্ষেপৰ দ্বাৰা খালাচ হ'ব পাৰে। আইনৰ যিবোৰ পদক্ষেপৰ দ্বাৰা একোটা চুক্তি খালাচ হ'ব পাৰে সেইবিলাক এনেধৰণৰ—

১) **মৃত্যুৰ দ্বাৰা ঃ** যদি চুক্তি ব্যক্তিগত দক্ষতা বা সামৰ্থৰ ওপৰত নিৰ্ভৰশীল তেন্তে প্ৰতিশ্ৰুতি দিওতাৰ মৃত্যু হ'লে এনে চুক্তি খালাচ হ'ব পাৰে।

২) **দেউলিয়া অৱস্থাৰ দ্বাৰা ঃ** একোজন লোক দেউলিয়া বুলি ঘোষিত হোৱাৰ পিছত পূৰ্বতে তেওঁৰ ওপৰত থকা সকলো দায়বদ্ধতাৰ পৰা মুক্ত হয়। যেতিয়া

আদালতে কোনো চুক্তিৰ এটা পক্ষৰ হকে 'খালাচৰ নির্দেশনা' জাৰি কৰে, তেতিয়া চুক্তি খাৰিজ হয়।

৩) **মিলি যোৱা ঃ** যদি একোটা নিম্ন স্তৰৰ অধিকাৰৰ চুক্তি উচ্চ স্তৰৰ অধিকাৰৰ চুক্তিত মিলি যায়, তেতিয়া নিম্ন স্তৰৰ অধিকাৰৰ চুক্তি স্বয়ংক্ৰিয়ভাৱে খালাচ হয়। উদাহৰণ স্বৰূপে যেতিয়া এজন অংশকালীন প্ৰবক্তাক পূৰ্ণকালীন প্ৰবক্তা কৰা হয়, তেতিয়া মিলি যোৱা পদ্ধতিৰ দ্বাৰা অংশকালীন প্ৰবক্তাৰ পদটো বাতিল হয়।

৪) **একোটা চুক্তিৰ চৰ্তসমূহৰ কৰ্তৃত্বহীন সালসলনি ঃ** আন পক্ষৰ সন্মতি নোহোৱাকৈ যদি এটা পক্ষই চুক্তিৰ চৰ্তৰ সালসলনি কৰে, তেতিয়া আনটো পক্ষই চুক্তি ত্যাগ কৰিব পাৰে।



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ৪ঃ তৎপৰতা চলোৱা কার্যকৰণ বুলি কি বুজায়?

.....

.....

প্ৰশ্ন নং ৫ঃ একোটা চুক্তিৰ কার্যকৰণৰ অসম্ভৱতাৰ অর্থ উল্লেখ কৰক।

.....

.....

৩.১০ চুক্তি ভংগ আৰু ইয়াৰ প্ৰতিকাৰ (BREACH OF CONTRACT AND ITS REMEDIES)

একোটা চুক্তিত আবদ্ধ সকলো পক্ষই তেওঁলোকৰ প্ৰতিশ্ৰুতি কার্যকৰী কৰিব বুলি ভবা হয়। যেতিয়া চুক্তি আবদ্ধ একোটা পক্ষই আইন বহির্ভূতভাৱে, তেওঁৰ চুক্তিবদ্ধ বাধ্যবাধকতা পূৰণ নকৰে বা তেওঁৰ নিজৰ কার্যকলাপৰ দ্বাৰা তেওঁৰ নিজৰ প্ৰতিশ্ৰুতি পূৰণ কৰাটো অসম্ভৱ কৰি তোলে, তেতিয়াই চুক্তি ভংগ কৰা হয়। তেনে ক্ষেত্ৰত বাকী পক্ষ বা পক্ষসমূহক অসন্তুষ্ট বা ক্ষতিগ্ৰস্ত পক্ষ বোলা হয়। ক্ষতিগ্ৰস্ত পক্ষসমূহৰ বাবে বিভিন্ন প্ৰতিকাৰ আছে। যেনে—

১) চুক্তি বাতিলকৰণ।

২) নির্দিষ্ট কার্যকৰণৰ বাবে বিধিগত পদক্ষেপ লোৱা।

৩) আদেশ লাভৰ বাবে বিধিগত পদক্ষেপ লোৱা।

৪) প্ৰাপ্য অংশৰ বাবে বিধিগত পদক্ষেপ লোৱা।

৫) ক্ষতিৰ বাবে বিধিগত পদক্ষেপ লোৱা।

১) **চুক্তি বাতিলকৰণ ঃ** যদি এটা পক্ষই চুক্তি ভংগ কৰে, তেতিয়া আনটো পক্ষই সেই চুক্তি বাতিল কৰিব পাৰে আৰু ইয়াৰ জৰিয়তে তেওঁ চুক্তিৰ অধীনস্থ সকলো বাধ্যবাধকতাৰ পৰা মুক্ত হয়।

উদাহৰণ ঃ 'এম'য়ে 'এন'ক ১ জানুৱাৰী ২০১৭ত এখন মটৰ গাড়ী দিয়াৰ প্ৰতিশ্ৰুতি দিলে, আৰু 'এন'য়ে ১ জানুৱাৰী ২০১৭ত উক্ত মটৰ গাড়ীখনৰ বাবে ধন দিয়াৰ প্ৰতিশ্ৰুতি দিলে। সেই তাৰিখত 'এম'য়ে গাড়ীখন নিদিলে। গাড়ীখনৰ দাম দিয়াৰ দায়বদ্ধতাৰ পৰা 'এন' মুক্ত হ'ল।

আদালতে বাতিলকৰণ মঞ্জুৰ কৰিব পাৰে ঃ

(ক) যদি গুচৰীয়াৰ দ্বাৰা চুক্তি পৰিহাৰযোগ্য হয়, বা

(খ) যদি চুক্তিৰ কাৰণবিলাক স্পষ্ট নোহোৱা বাবে ই আইন বহির্ভূত হয় আৰু গুচৰীয়াতকৈ পদকীয়াৰ ওপৰত অধিক দোষাৰোপ কৰিব পাৰি।

২) **নির্দিষ্ট কার্যকৰণৰ বাবে বিধিগত পদক্ষেপ লোৱা ঃ** কিছুমান নির্দিষ্ট ক্ষেত্ৰত যদি ক্ষতিবিলাকৰ উপযুক্ত প্ৰতিকাৰ নাথাকে, তেতিয়া চুক্তিৰ নির্দিষ্ট ক্ষেত্ৰত, চুক্তিৰ চৰ্তাৱলী অনুসৰি প্ৰতিশ্ৰুতি আগুৱাই নিয়া হয়। পক্ষই ভংগ নকৰি বিধিগত ব্যৱস্থা বিচাৰিলে আদালতে চুক্তিৰ নির্দিষ্ট কার্যকৰণৰ বাবে নির্দেশ দিয়ে।

সাধাৰণতে নিম্নোলিখিত ক্ষেত্ৰসমূহত, আদালতে নির্দিষ্ট কার্যকৰণ মঞ্জুৰ কৰে ঃ

ক) সম্পন্ন কৰিবলৈ লোৱা চুক্তিত যেতিয়া এনে সন্মতি উল্লেখ থাকে যে চুক্তি কার্যকৰী নকৰাৰ বাবে ধনৰ ৰূপত দিবলগা ক্ষতিপূৰণ পৰিমাপণ কৰিব পৰা নহয়।

খ) যেতিয়া এই কথা সম্ভৱপৰ হয় যে সম্পন্ন কৰিবলৈ সন্মত হোৱা কার্য কার্যকৰী নকৰাৰ ফলত দিব লগা ধনৰ ক্ষতিপূৰণ পাব পৰা নাযায়।

গ) সম্পন্ন কৰিবলৈ সন্মত হোৱা কার্য কার্যকৰী নকৰাৰ ফলত সৃষ্টি হোৱা প্ৰকৃত ক্ষতি নির্ণয় কৰাৰ কোনো মান যেতিয়া নাথাকে।

আনহাতে, নিম্নোলিখিত ক্ষেত্ৰসমূহত আদালতে নির্দিষ্ট কার্যকৰণ মঞ্জুৰ নকৰে ঃ

(ক) ক্ষতিবিলাকৰ উপযুক্ত প্ৰতিকাৰ থাকিলে।

(খ) চুক্তি নিশ্চিত নহ'লে।

(গ) কোনোটো পক্ষৰ ক্ষেত্ৰত চুক্তি ন্যায্য নহ'লে।

(ঘ) চুক্তি খণ্ডন কৰিব পৰা প্ৰকৃতিৰ হ'লে।

(ঙ) ন্যাস ভংগ হোৱাত ন্যাসৰক্ষীৰ দ্বাৰা কৰা চুক্তি।

(চ) ব্যক্তিগত প্ৰকৃতিৰ চুক্তি যেনে বিয়া কৰোৱাৰ চুক্তি।

(ছ) কোনো কোম্পানীয়ে ইয়াৰ ক্ষমতাৰ বাহিৰত কৰা চুক্তি (ইয়াৰ সংস্থাৰ স্মাৰক পত্ৰৰ পৰিপন্থী হ'লে)।

(জ) আদালতে ইয়াৰ কার্যকাৰিতাৰ তত্বাৱধান ল'ব নোৱাৰে।

৩) **আদেশ লাভৰ বাবে বিধিগত পদক্ষেপ লোৱা ঃ** আদেশ বা injunction মানে হৈছে কোনো লোকক কিছুমান কাম কৰাৰ পৰা বিৰত ৰাখি এখন উপযুক্ত আদালতে দিয়া এক নির্দেশনা। ইয়াক একোটা চুক্তিৰ নেতিবাচক চৰ্তাৱলীৰ নির্দিষ্ট কার্যকৰণক সুৰক্ষিত কৰা

এক পদ্ধতি হিচাপে সংজ্ঞাবদ্ধ কৰিব পাৰি। চুক্তিৰ নেতিবাচক চৰ্তাৱলী মানে হৈছে একোটা পক্ষই নকৰিব বুলি প্ৰতিশ্ৰুতি দিয়া কাম কৰা। আদেশ বা injunction হৈছে আদালতে মঞ্জুৰ কৰা এক নিৰ্দেশনা যাৰ জৰিয়তে এজন লোকে নকৰিব বুলি প্ৰতিশ্ৰুতি দিয়া কোনো কাম কৰাৰ পৰা তেওঁক বিৰত ৰখা হয়।

নিম্নোল্লিখিত ক্ষেত্ৰসমূহত আদালতে আদেশ জাৰি কৰিব পাৰে ঃ

(ক) যদি চুক্তি পৰিহাৰযোগ্য।

(খ) যদি চুক্তি পৰিহাৰ কৰা হয়।

(গ) চুক্তি বাতিল বা পৰিহাৰ কৰা বুলি আৱিস্কৃত হ'ল।

৪) **প্ৰাপ্য অংশৰ বাবে বিধিগত পদক্ষেপ লোৱা ঃ** এটা পক্ষই কাৰ্যকৰী কৰা একোটা চুক্তি যদি আনটো পক্ষই চুক্তি ভংগ কৰা বাবে ই খালাচ হয় তেতিয়া প্ৰাপ্য অংশৰ বাবে দাবী উত্থাপন হ'ব পাৰে। 'প্ৰাপ্য অংশ' (quantum merit) ৰ অৰ্থ হৈছে 'যিমানখিনি অৰ্জন কৰা হ'ল' (as much as earned)। এই দাবী ইতিমধ্যে খালাচ বা বাতিল কৰা মূল চুক্তিৰ বাবে কৰা নহয়, বৰং আনটো পক্ষই তেওঁ কি কৰিলে তাৰ বাবে পৰিশোধ কৰিবলৈ কৰা এক প্ৰযোজ্য প্ৰতিশ্ৰুতিৰ ওপৰতহে কৰা হয়।

নিম্নোল্লিখিত পৰিস্থিতিত প্ৰাপ্য অংশৰ উদ্ভৱ হয় ঃ

(ক) যদি একোটা চুক্তি বাতিল কৰা বুলি প্ৰতিপন্ন হয়।

(খ) যদি কোনো উদ্দেশ্য বিহীনভাৱে এনেয়ে কিবা কৰা হৈ যায়।

(গ) যদি এটা পক্ষই চুক্তি পৰিত্যাগ কৰে বা কাৰ্যকৰী কৰিবলৈ অস্বীকাৰ কৰে।

৫) **ক্ষতিৰ বাবে বিধিগত পদক্ষেপ লোৱা ঃ** ক্ষতি (damages) হৈছে আহত বা ক্ষতিগ্ৰস্ত পক্ষক তেওঁ সন্মুখীন হোৱা ক্ষতি বা আঘাতৰ বাবে আদালতে দিয়া আৰ্থিক ক্ষতিপূৰণ। চুক্তি অনুসৰি, যদি এটা পক্ষই চুক্তি ভংগ কৰে তেন্তে আনটো পক্ষই ক্ষতিপূৰণ দাবী কৰিব পাৰে। ক্ষতিপূৰণ আদায় দিয়াৰ প্ৰধান উদ্দেশ্য হৈছে ক্ষতিগ্ৰস্তই সন্মুখীন হোৱা ক্ষতি নোহোৱা কৰা। ইয়াক পুনৰ প্ৰতিষ্ঠাৰ প্ৰচেষ্টা হিচাপে জনা যায়। ভাৰতীয় চুক্তি আইনৰ অনুচ্ছেদ ৭৩ত একোটা পক্ষই চুক্তি ভংগ কৰাৰ ফলত সৃষ্টি হোৱা ক্ষতি বা লোকচানৰ বাবে দিবলগা ক্ষতিপূৰণৰ বিষয়ে উল্লেখ আছে। প্ৰধানকৈ চাৰি প্ৰকাৰৰ ক্ষতিৰ কথা উল্লেখ আছে, যেনে—

(১) সাধাৰণ ক্ষতি

(২) বিশেষ ক্ষতি

(৩) প্ৰতিহিংসা পৰায়ণ বা উদাহৰণ স্বৰূপ ক্ষতি আৰু

(৪) নামমাত্ৰ ক্ষতি

(১) **সাধাৰণ ক্ষতি ঃ** যেতিয়া একোটা চুক্তি ভংগ হয়, নিয়ম মতে, ক্ষতিগ্ৰস্ত পক্ষই দোষী পক্ষৰ পৰা সদায় সাধাৰণ ক্ষতিপূৰণ আদায় কৰে। সাধাৰণ ক্ষতি হৈছে এনেধৰণৰ ক্ষতি যি চুক্তি ভংগ হোৱাৰ ফলত অৱধাৰিত ৰূপত প্ৰাকৃতিকভাৱে আৰু প্ৰত্যক্ষভাৱে উদ্ভৱ হোৱা বুলি যুক্তিসহকাৰে মানি ল'ব পাৰি।

(২) **বিশেষ ক্ষতি ঃ** বিশেষ ক্ষতি হৈছে সেইবিলাক ক্ষতি যিবিলাক গুচৰীয়াক প্ৰভাবান্বিত কৰি কিছুমান বিশেষ বা অসাধাৰণ কাৰণত সংঘটিত হয়। এনেকুৱা ক্ষতিবিলাক অধিকাৰৰ একোটা বিষয় হিচাপে দাবী কৰিব নোৱাৰি। কেৱল বিশেষ পৰিস্থিতিতহে এইবিলাক দাবী কৰিব পাৰি, যি পৰিস্থিতিৰ পৰিণতিত চুক্তি ভংগ হোৱাৰ ক্ষেত্ৰত এক বিশেষ ক্ষতি হ'ব পাৰে আৰু সেইবিলাক আনটো পক্ষৰ দৃষ্টিগোচৰ কৰা হয়।

(৩) **প্ৰতিহিংসা পৰায়ণ বা উদাহৰণ স্বৰূপ ক্ষতি ঃ** চুক্তি ভংগ কৰাৰ বাবে দোষী পক্ষক শাস্তি দিয়াৰ উদ্দেশ্যে আৰোপ কৰা ক্ষতিপূৰণ আৰু এই ক্ষতিপূৰণ বিতুষ্ট পক্ষই সন্মুখীন হোৱা হানি-বিঘিনিৰ ক্ষতিপূৰণ হিচাপে আৰোপ কৰা নহয়। কিন্তু চুক্তি ভংগ কৰাৰ বাবে ক্ষতিপূৰণৰ আইনৰ প্ৰধান নীতি হৈছে সন্মুখীন হোৱা হানি-বিঘিনিৰ ক্ষতিপূৰণ দিয়া, ইতিমধ্যে কৰা ভুলৰ শাস্তি বিহাটো উদ্দেশ্য নহয়। কাজেই চুক্তিৰ আইনত প্ৰতিহিংসা পৰায়ণ বা উদাহৰণ স্বৰূপে ক্ষতিপূৰণৰ স্থান নাই যিহেতু সেইবিলাকৰ প্ৰকৃতি হৈছে শাস্তি প্ৰদানৰ উদ্দেশ্য। অৱশ্যে, এই আইনৰ দুটা ব্যতিক্ৰম আছে যাৰ আধাৰত আদালতে উদাহৰণস্বৰূপে ক্ষতিপূৰণ আৰোপ কৰিব পাৰে ঃ

(ক) বিয়া কৰাবলৈ একোটা চুক্তি ভংগ কৰা,

(খ) গ্ৰাহকক দিবৰ বাবে পৰ্যাপ্ত পুঁজি থকা সত্বেও বেংকাৰৰ দ্বাৰা একোখন চেক অগ্ৰাহ্য কৰা।

(৪) **নামমাত্ৰ ক্ষতি ঃ** নামমাত্ৰ ক্ষতিপূৰণবিলাক কেৱল নামৰ বাবেহে আৰোপ কৰা হয়, য'ত চুক্তি ভংগ হোৱাৰ ফলত ক্ষতিগ্ৰস্ত পক্ষই প্ৰকৃততে কোনো ক্ষতিৰ সন্মুখীন নহয়। ক্ষতিগ্ৰস্ত পক্ষই পুনৰুদ্ধাৰ কৰিব পৰা ক্ষতিপূৰণ নামমাত্ৰ, অৰ্থাৎ অত্যন্ত ক্ষুদ্ৰ। ইয়াৰ সাধাৰণ অৰ্থ এইটোৱেই যে গুচৰীয়াই গোচৰত জয়লাভ কৰিছে।



অগ্ৰগতি নিৰীক্ষণ (CHECK YOUR PROGRESS)

প্ৰশ্ন নং ৬ঃ চুক্তি ভংগৰ অৰ্থ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৭ঃ আদালতে কেতিয়া আদেশ লাভ (injunction)ৰ নিৰ্দেশ দিব পাৰে?

.....

.....



৩.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ (LET US SUM UP)

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- একোটা চুক্তি প্ৰকৃত কার্যকৰণ বা কার্যকৰণৰ তৎপৰতা বা কার্যকৰণৰ ইচ্ছাৰ দ্বাৰা কার্যকৰী কৰা হ'ব পাৰে।
- একোটা গ্ৰহণযোগ্য কার্যকৰণৰ তৎপৰতা বা ইচ্ছাৰ আৱশ্যকতাবিলাক হৈছে— ই নিঃচর্ত হ'ব লাগিব, ই সম্পূৰ্ণ বাধ্যবাধকতাৰ বাবে হ'ব লাগিব, ই তেনে এজন লোকৰ দ্বাৰা হ'ব লাগিব যি এটা অৱস্থানত থাকে আৰু প্ৰতিশ্ৰুতি কার্যকৰী কৰিবলৈ ইচ্ছুক, ই সঠিক সময় আৰু স্থানত হ'ব লাগিব ইত্যাদি।
- একোটা চুক্তি কার্যকৰী কৰিব পৰা পক্ষসমূহ।
- একোটা চুক্তিৰ কার্যকৰণ দাবী কৰিব পৰা পক্ষসমূহ।
- একোটা চুক্তিৰ কার্যকৰণৰ সময়, স্থান আৰু ধৰণ সম্পৰ্কীয় বিধিগত ব্যৱস্থাৱলী।
- একোটা চুক্তি খালাচৰ বাবে পর্যাপ্ত বেলেগ বেলেগ প্ৰতিকাৰবিলাক হৈছে— চুক্তিবাতিলকৰণ, বিশেষ কার্যকৰণ দাবী, আদেশ লাভৰ দাবী, প্ৰাপ্য অংশৰ দাবী আৰু ক্ষতিপূৰণ দাবী।



৩.১২ অধিক জানিবলৈ (FURTHER READINGS)

১) Commercial Law (including Company Law and Industrial Law); by Arun Kumar Sen and Jitendra Kumar Mitra

২) Principles of Mercantile Law; by R.P Maheshwari and S.N. Maheshwari

৩) Elements of Mercantile Law; by N.D Kapoor

৪) Business Regulatory Framework; by K. C Garg, V. K. Sareen and Mukesh Sharma



৩.১৩ অগ্ৰগতিৰ খতিয়ান (ANSWERS TO CHECK YOUR PROGRESS)

১ নং প্ৰশ্নৰ উত্তৰঃ যেতিয়া চুক্তিবদ্ধ পক্ষসমূহে চুক্তিৰ অধীনস্থ সকলো নিজ নিজ বাধ্যবাধকতা পূৰণ কৰে, তেতিয়া উক্ত চুক্তি প্ৰকৃততে কার্যকৰী কৰা বুলি কোৱা হয়।

২ নং প্ৰশ্নৰ উত্তৰঃ একোটা চুক্তি প্ৰতিশ্ৰুতি দিওঁতা, প্ৰতিনিধি আৰু তৃতীয় পক্ষই কার্যকৰী কৰিব পাৰে।

৩ নং প্ৰশ্নৰ উত্তৰঃ কার্যকৰণ দাবী কৰিব পৰা পক্ষসমূহ হৈছে প্ৰতিশ্ৰুতি পাওঁতা আৰু তেওঁৰ আইনগত প্ৰতিনিধি।

৪ নং প্ৰশ্নৰ উত্তৰঃ যেতিয়া প্ৰতিশ্ৰুতি দিওঁতাই চুক্তিৰ অধীনস্থ তেওঁৰ বাধ্যবাধকতা কার্যকৰী কৰিব বিচাৰে, কিন্তু প্ৰতিশ্ৰুতি পাওঁতাই সেই কার্যকৰণ গ্ৰহণ নকৰাৰ ফলত তেনে কৰিবলৈ অপাৰগ, তেতিয়া ইয়াক কোৱা হয় কার্যকৰণৰ তৎপৰতা বা প্ৰৱণতা।

৫ নং প্ৰশ্নৰ উত্তৰঃ যদি একোটা চুক্তিৰ কার্যকৰণ অসম্ভৱ হয় তেতিয়া ই খালাচ হ'ব পাৰে। কার্যকৰণৰ অসম্ভৱতাৰ নিয়মবিলাক এইবোৰ পৰিস্থিতিৰ ওপৰত নির্ভৰশীল, যেনে (১) অসম্ভৱক আইনে চিনাক্ত নকৰিলে আৰু (২) যি অসম্ভৱ সি একোটা বাধ্যবাধকতাৰ সৃষ্টি নকৰিলে।

৬ নং প্ৰশ্নৰ উত্তৰঃ যেতিয়া চুক্তিৰ এটা পক্ষই বিধিগত ৰেহাই অবিহনে নিজৰ চুক্তিবদ্ধ বাধ্যবাধকতা পূৰণ নকৰে বা তেওঁৰ নিজৰ কার্যই চুক্তিৰ অধীনস্থ তেওঁৰ বাধ্যবাধকতা কার্যকৰী কৰাটো অসম্ভৱ কৰি তোলে, তেতিয়াই চুক্তি ভংগ হয়।

৭ নং প্ৰশ্নৰ উত্তৰঃ নিম্নোল্লিখিত ক্ষেত্ৰসমূহত আদালতে আদেশ লাভ (injunction) ৰ নির্দেশনা দিব পাৰে ঃ

(১) যদি চুক্তি বাতিলযোগ্য হয়।

(২) যদি চুক্তি বাতিল কৰা হয়। বা

(৩) চুক্তি বাতিল বুলি আৱিস্কৃত হ'লে।



৩.১৪ আৰ্হি প্ৰশ্ন (MODEL QUESTIONS)

প্ৰশ্ন ১ঃ চুক্তিৰ কার্যকৰণৰ সংজ্ঞা দিয়ক।

প্ৰশ্ন ২ঃ এক গ্ৰহণযোগ্য কার্যকৰণৰ তৎপৰতাৰ আৱশ্যকতাবোৰ উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ একোটা চুক্তিৰ কার্যকৰণৰ সময়, স্থান আৰু ধৰণ সম্পৰ্কীয় আইনগত ব্যৱস্থাৱলী উল্লেখ কৰক।

প্ৰশ্ন ৪ঃ চুক্তি খালাচৰ ভিন ভিন পদ্ধতিবিলাকৰ বিষয়ে আলোচনা কৰক।

*** ***** ***